**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 15-11-2024
**Time :** 0755 Hrs

***Assamese Morning Bulletin***
***-----------------------***

আজি ৰাস পূৰ্ণিমা। শৰৎকালৰ এই মনোৰম পূৰ্ণিমাত পালন কৰা ৰাস মহোৎসৱক কেন্দ্ৰ কৰি ৰাজ্যৰ প্ৰান্তে প্ৰান্তে উৎসাহ-উদ্দীপনাই বিৰাজ কৰিছে।

মাজুলীৰ সত্ৰসমূহত কালিৰে পৰা ৰাস মহোৎসৱৰ কাৰ্যসূচী আৰম্ভ হৈছে। কালি জিলাখনৰ নতুন বজাৰ, জেংৰাইমুখ, মুদৈবিল, ভকতীদুৱাৰ আদি অঞ্চলত শ্ৰীশ্ৰী কৃষ্ণৰ সম্পূৰ্ণ ৰাসলীলা অনুষ্ঠিত হয়। আজি দক্ষিণপাট, আউনিআটী, গড়মূৰ, উত্তৰ কমলা, বেঙেনাআটী, চামগুৰি, এলেংগি নৰসিংহ আদি সত্ৰসমূহকে ধৰি স্থায়ী আৰু অস্থায়ী  সকলো ৰংগমঞ্চতে ৰাস মহোৎসৱ অনুষ্ঠিত হ'ব। উল্লেখযোগ্য যে এইবাৰ মাজুলীত ৬৫খনকৈ ৰাস মহোৎসৱ অনুষ্ঠিত হৈছে।

মৰিগাঁও জিলাৰ দুৰামাৰী, ভৈৰাগুৰি, আঁহতগুৰি, ঔজাৰিকে ধৰি ভালেমান অঞ্চলত আজিৰ পৰা পাঁচদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে ৰাস মহোৎসৱৰ আয়োজন কৰা হৈছে।

গোৱালপাৰা জিলাৰ বিভিন্ন প্ৰান্ততো আজিৰে পৰা ৰাস মহোৎসৱ অনুষ্ঠিত হৈছে। চহৰখনৰ ছন্দৰীয়াৰ সাৰ্বজনীন ৰাসমেলা খেলপথাৰত আজিৰে পৰা পাঁচদিনীয়া কাৰ্যসূচীৰে ৰাস উৎসৱৰ আয়োজন কৰা হৈছে। আনহাতে, দুধনৈ ৰাজহুৱা খেলপথাৰত ১৫ দিনীয়া আৰু মাক্ৰীত ছদিনীয়া বিস্তৃত কাৰ্যসূচীৰে ৰাস মহোৎসৱ অনুষ্ঠিত কৰা হৈছে। জিলাখনৰ ছিমলীতোলা, মাটিয়া, বালিজানা, দুবাপাৰা আদি অঞ্চলতো দুদিনীয়া কাৰ্যসূচীৰে ৰাসৰ আয়োজন কৰা হৈছে।

বৰপেটা জিলাৰ হাউলী, বৰপেটা ৰোড আদিত আজিৰে পৰা উদযাপন কৰা হৈছে। হাউলী ৰাস মহোৎসৱ এইবাৰ ৯৭ সংখ্যক বৰ্ষ আৰু বৰপেটা ৰোড ৰাস মহোৎসৱ ৯৬ সংখ্যক বৰ্ষৰ বাবে উদযাপন কৰা হৈছে। আনহাতে, জিলাখনৰ নগাঁও ৰাস মহোৎসৱ এইবাৰ ৮৯ সংখ্যক বৰ্ষৰ বাবে আয়োজন কৰা হৈছে।

বাক্সা জিলাৰ পূব খাগ্ৰাবাৰীত আজিৰ পৰা দহদিনীয়াকৈ ৰাস মহোৎসৱৰ আয়োজন কৰা হৈছে।

ইফালে, নলবাৰীৰ শ্ৰীশ্ৰী হৰিমন্দিৰৰ উদ্যোগত আজিৰে পৰা ১৩ দিনীয়া কাৰ্যসূচীৰে ৰাস মহোৎসৱ অনুষ্ঠিত হৈছে।

নগাঁও জিলাতো আজিৰে পৰা বিভিন্ন কাৰ্যসূচীৰে শ্ৰীশ্ৰী কৃষ্ণৰ ৰাস মহোৎসৱ অনুষ্ঠিত হ'ব। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অপূৰ্ব সৃষ্টি কেলিগোপাল নাটৰ আধাৰত নগাঁও জিলাত ৰাস মহোৎসৱ অনুষ্ঠিত কৰা হয়। জিলাখনৰ বিভিন্ন স্থানত ৪ৰ পৰা ৫দিনীয়াকৈ ৰাস মহোৎসৱ পালন কৰা হ'ব। চহৰখনৰ খুটিকটীয়া প্ৰগতি সমাজে ছদিনীয়া কাৰ্যসূচীৰে ৰাস মহোৎসৱৰ আয়োজন কৰিছে। ভাগৱত শোভাযাত্ৰাৰে শুভাৰম্ভ কৰিবলগীয়া এই ৰাস মহোৎসৱে এইবাৰ সোণালী জয়ন্তী বৰ্ষ উদযাপন কৰিছে। মহোৎসৱৰ দিনকেইটাত শ্ৰীকৃষ্ণৰ ৰাসলীলাৰ লগতে অংকীয়া ভাওনাও প্ৰদৰ্শন কৰা হ'ব।

ইফালে, ঐতিহ্যমণ্ডিত পুৰণিগুদাম আঞ্চলিক ৰাস মহোৎসৱ উদযাপন সমিতিৰ উদ্যোগত আজিৰে পৰা চাৰিদিনীয়াকৈ মহাৰজত জয়ন্তী বৰ্ষ ৰাস উৎসৱ উদযাপন কৰা হৈছে। ৰাস মহোৎসৱৰ লগত সংগতি ৰাখি ধৰ্ম ধ্বজা উত্তোলন, নাম প্ৰসংগ আৰু ৰাস ভাওনা প্ৰদৰ্শন কৰাৰ লগতে সাংস্কৃতিক শোভাযাত্ৰাও উলিওৱা হ'ব। চহৰখনৰ পানীগাঁও জ্যোতিনগৰ নামঘৰত কাইলৈ দিনজোৰা কাৰ্যসূচীৰে ৰাস মহোৎসৱ অনুষ্ঠিত হ'ব। আনহাতে, উত্তৰ কলিয়াবৰ হেজাৰ সমিতিৰ উদ্যোগত কাইলৈ পূবথৰিয়াত ল'ৰাৰ ৰাস প্ৰদৰ্শন কৰা হ'ব। জিলাখনৰ চকলাঘাট, হাতীচোং, ৰহা, চাপৰমুখ, ফুলগুৰি, বেবেজীয়া, পুৰণিগুদাম, কঠিয়াতুলি, ননৈ, চামগুৰি, ৰূপহী আদি স্থানত প্ৰায় দুই শতাধিক ৰাস মহোৎসৱ অনুষ্ঠিত হ'ব।

দৰং জিলাৰ সদৰ মঙলদৈৰ সনাতন ধৰ্মসভাৰ প্ৰাঙ্গনতো আজিৰে পৰা ১০ দিনীয়া কাৰ্যসূচীৰে শ্ৰীকৃষ্ণৰ ৰাস মহোৎসৱ অনুষ্ঠিত হ'ব। আজিৰ উদ্বোধনী অনুষ্ঠানত ৰাজহ মন্ত্ৰী যোগেন মহন আৰু সাংসদ দিলীপ শইকীয়া উপস্থিত থাকিব। উল্লেখযোগ্য যে এইবাৰ মৃন্ময় মূৰ্তিৰ লগতে প্ৰথম বাৰৰ বাবে স্থানীয় শিল্পীৰ দ্বাৰা জীৱন্ত ৰাস প্ৰদৰ্শন কৰা হ'ব বুলি উদ্যোক্তাসকলে জানিবলৈ দিছে।

ধুবুৰী জিলাৰ বিলাসীপাৰাতো আজিৰে পৰা ১৬দিনীয়া কাৰ্যসূচীৰ ৰাস মহোৎসৱৰ আয়োজন কৰা হৈছে।

০০০০০০

কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদে দশম আৰু দ্বাদশ শ্ৰেণীৰ শিক্ষাৰ্থীৰ ওপৰত শৈক্ষিক বোজা হ্ৰাস কৰাৰ বাবে বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। চি বি এছ্ ই-য়ে দশম আৰু দ্বাদশ শ্ৰেণীৰ বৰ্ড পৰীক্ষাৰ পাঠ্যক্ৰমৰ পৰা ১৫ শতাংশ পাঠ্যক্ৰম হ্ৰাস কৰাৰ কথা ঘোষণা কৰিছে। বৰ্ডৰ পৰীক্ষাৰ মূল্যায়নৰ ক্ষেত্ৰতো আমূল পৰিৱৰ্তন সাধন কৰা হৈছে। সেই অনুসৰি এতিয়াৰে পৰা বৰ্ড পৰীক্ষাত ৪০ শতাংশ নম্বৰ আভ্যন্তৰীণ মূল্যায়নৰ জৰিয়তে প্ৰদান কৰাৰ লগতে বাকী ৬০ শতাংশ চূড়ান্ত বৰ্ড পৰীক্ষাৰ পৰা মূল্যায়ন কৰি বাৰ্ষিক ফলাফল ঘোষণা কৰা হ'ব। চি বি এছ্ ইৰ এই পদক্ষেপে ছাত্ৰ-ছাত্ৰীৰ পৰীক্ষাক লৈ থকা মানসিক বোজা বহুখিনি হ্ৰাস কৰিব বুলি আশা কৰা হৈছে। ইয়াৰ উপৰি চি বি এছ্ ই-য়ে দশম আৰু দ্বাদশ শ্ৰেণীৰ পাঠ্যক্ৰম আৰু পৰীক্ষাৰ ক্ষেত্ৰত কেইবাটাও পৰিৱৰ্তন সাধন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। চি বি এছ্ ই-য়ে ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ৰ লগত সংগতি ৰাখি ব্যৱহাৰিক জ্ঞান আৰু দক্ষতা আধাৰিত শিক্ষাক অগ্ৰাধিকাৰ দি পৰীক্ষাৰ পদ্ধতিৰ সংশোধন কৰিছে। ২০২৫ বৰ্ষৰ পৰা এই নতুন ব্যৱস্থা কাৰ্যকৰী হ'ব। নতুন প্ৰস্তাৱ অনুসৰি প্ৰশ্নকাকতৰ ৫০ শতাংশ প্ৰশ্ন ব্যৱহাৰিক আৰু প্ৰায়োগিক পৰিস্থিতিৰ ভিত্তিত প্ৰস্তুত কৰা হ'ব। ২০২৫ৰ পৰা ডিজিটেল মূল্যায়নৰ ব্যৱস্থা প্ৰৱৰ্তন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে।

০০০০০০

পৰ্যটন বিভাগৰ উদ্যোগত অহা ২৬ নৱেম্বৰৰ পৰা তিনিদিনীয়াকৈ কাজিৰঙাত আন্তঃৰাষ্ট্ৰীয় ট্যুৰিজিম মাৰ্ট অনুষ্ঠিত হ'ব। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ২৭ নৱেম্বৰত ট্যুৰিজিম মাৰ্ট মুকলি কৰিব। উদ্বোধনী অনুষ্ঠানত ভাৰতৰ লগতে কেইবাখনো দেশৰ পৰ্যটন ক্ষেত্ৰৰ বহুকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকিব। উত্তৰ পূৰ্বাঞ্চলৰ আঠাইকেইখন ৰাজ্যৰ মুখ্যমন্ত্ৰী, কেন্দ্ৰীয় পৰ্যটন মন্ত্ৰীৰ লগতে বহুকেইগৰাকী উচ্চপদস্থ বিষয়াও উপস্থিত থাকিব। এই অনুষ্ঠানত নিমন্ত্ৰিত অতিথিসকলক কাজিৰঙাৰ হাতীখুলি চাহ বাগিচা পৰিদৰ্শন কৰোৱাৰ লগতে জীপ আৰু হাতী চাফাৰীও কৰোৱা হ'ব। এই কাৰ্যসূচীয়ে কাজিৰঙা তথা ৰাজ্যখনৰ পৰ্যটনৰ বাবে বিশেষ তাৎপৰ্য বহন কৰিছে বুলি অসম পৰ্যটন নিগমৰ অধ্যক্ষগৰাকীয়ে জানিবলৈ দিয়ে।

০০০০০০

সমাপ্ত